জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৭/২০২২

# ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছা

**দিছপুৰ, ১৭ মাৰ্চ ঃ** দৌল যাত্ৰা তথা ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণলৈ আন্তৰিক ওলগ আৰু শুভেচ্ছা জনাইছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় সনাতন সংস্কৃতিৰ সৈতে আধ্যাত্মিক উৎসৱসমূহৰ এক নিবিড় সম্পৰ্ক আছে। কৃষ্ণ সংস্কৃতিৰ অন্যতম উৎসৱ দৌল মহোৎসৱ পালনৰ জৰিয়তে আমাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনধাৰা উজ্জীৱিত হৈ আহিছে। ৰাজ্যখনৰ জনজীৱনত দৌল উৎসৱে অতীজৰে পৰা বিশেষ গুৰুত্ব লাভ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই উৎসৱ পালনৰ জৰিয়তে সমাজত সমন্বয় আৰু ভাতৃত্ববোধৰ এনাজৰী অধিক শক্তিশালী হ'ব। তেওঁ কয় যে এই উৎসৱ পালনৰ জৰিয়তে আমাৰ বৰ্ণিল সাংস্কৃতিক তথা আধ্যাত্মিক জীৱনশৈলী অধিক সমৃদ্ধ হৈ পৰিব। আধ্যাত্মিক পৰম্পৰাৰে পালিত এই উৎসৱে ৰাজ্যখনৰ নানাৰঙী কৃষ্টি, সংস্কৃতিৰ পথাৰখনক জীপাল কৰি সকলোকে একতা, শান্তি, সহাৱস্থানৰ জৰিয়তে আগুৱাই যাবলৈ উদ্‌গণি যোগাই যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

**পুঃডেঃ**
**১৭-০৩-২০২২**